# গোৱালপাৰা মহাবিদ্যালয়ত জি-২০ শীৰ্ষক সন্মিলন

গোৱালপাৰা ঃ নিজা বাতৰি দিওঁতা, ২২ জানুৱাৰী ঃ গোৱালপাৰা মহাবিদ্যালয়ে জি-২০ সন্মিলনৰ মান্যতা লাভ কৰাৰ পাছত জিলা প্ৰশাসনৰ সহযোগ আৰু পৰামৰ্শত ২৩ জানুৱাৰীৰ পৰা ৩ ফেব্ৰুৱাৰীলৈ বৌদ্ধিক সন্মিলনৰ আয়োজন কৰিছে। ইতিমধ্যে অধ্যক্ষ ড° সুভাষ বৰ্মনৰ নেতৃত্ব আৰু পৰিকল্পনাত মহাবিদ্যালয়খনৰ সংশ্লিষ্ট সকলোৱে সন্মিলন সাৰ্থক কৰি তুলিবলৈ কাৰ্যসূচী আজি ঘোষণা কৰে। ২৩ জানুৱাৰীত পুৱা ৯ বজাত বিশখন জি-২০ পতাকা উত্তোলনেৰে অধ্যক্ষ ড° সুভাষ বৰ্মনে সন্মিলনৰ শুভাৰম্ভ কৰিব। জিলাৰ উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে জি-২০/ৱাই-২০ প্ৰাক্ ইভেণ্ট গোৱালপাৰা জিলাত উদ্বোধন কৰিব। ১০-৩০ বজাত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণেৰে প্ৰথমখন আলোচনা-সত্ৰ, ১০ বজাত অধ্যাপকসকলৰ আলোচনা-সত্ৰ। ২৮ জানুৱাৰীত আলোচনা-সত্ৰ উদ্বোধন কৰিব অধ্যক্ষ ড° সুভাষ বৰ্মনে। জিলাৰ উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে বক্তৃতা দিয়াৰ লগতে মুখ্য আলোচক হিচাপে অংশ ল'ব গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° অখিল ৰঞ্জন দত্তই। ২০ জানুৱাৰীত 'স্কিল এজ এম্পাৱাৰমেণ্ট ঃ এন ই পি-২০২০ ইণ্ডিয়াজ ষ্টোৰী অব্ ডেভেলপমেণ্ট এণ্ড দ্য ইয়ং পপুলেশ্যন' শীৰ্ষক কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশ ল'ব কুমাৰ ভাস্কৰ বাৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অংকুৰজ্যোতি ভূঞাই। ১ ফেব্ৰুৱাৰীত উলিওৱা হ'ব জি-২০ পতাকা আৰু জি-২০ৰ ভিছনেৰী লিডাৰৰ প্ৰতিচ্ছবি লৈ ছাত্ৰ-ছাত্ৰীৰ চাইকেল ৰেলী। ২ ফেব্ৰুৱাৰীৰ আলোচনা-সত্ৰত নিমন্ত্ৰিত বক্তা হিচাপে উপস্থিত থাকিব অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ তথা প্ৰাক্তন অসম লোকসেৱা আয়োগৰ অধ্যক্ষ ৰঞ্জিত বৰঠাকুৰ। ৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব আন্তঃজিলা তৰ্ক প্ৰতিযোগিতা। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ বিজয়ীসকলে গুৱাহাটীৰ আই আই টিত অনুষ্ঠিত হ'বলগীয়া ৬ আৰু ৭ ফেব্ৰুৱাৰীৰ সন্মিলনত অংশ ল'বলৈ সুযোগ পাব।